হ'ব লাগিব আৰু ধনৰ বিতৰণৰ ক্ষেত্ৰত থকা অসমতা হ্ৰাস কৰিব লাগিব।

আমি এতিয়া 1950 চনৰ পৰা 1990 চনৰ সময়ছোৱাত প্ৰথম সাতখন পৰিকল্পনাত এই চাৰিটা লক্ষ্যত উপনীত হ'বলৈ কেনে প্ৰচেষ্টা চলোৱা হৈছিল আৰু এই ক্ষেত্ৰত কিমানদূৰ সফলতা পোৱা গৈছিল চাওঁহক। 1991 চনৰ পিছৰ পৰা কৃষি, উদ্যোগ আৰু বাণিজ্যৰ প্ৰসংগত নীতি আৰু উন্নয়ন সম্পৰ্কীয় বিষয়সমূহ তৃতীয় অধ্যায়ত পাবা।

## 2.3 কৃষি (Agriculture) ঃ

প্ৰথম অধ্যায়ত পঢ়িছা যে ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষৰ কৃষি খণ্ডত বৃদ্ধি আৰু সমতা নাছিল। স্বাধীন ভাৰতৰ নীতি নিৰ্ধাৰকসকলে এই সমস্যাসমূহ সমাধান কৰিবলগীয়া হৈছিল। ভূমি সংস্কাৰ আৰু 'বিস্ময়কৰ বীজ'ৰ জৰিয়তে তেওঁলোকে ইয়াৰ বাবে চেষ্টা চলাইছিল আৰু ই ভাৰতীয় কৃষিত এক বিপ্লৱৰ সূচনা কৰিছিল। স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষৰ ভূমিস্বত্ব ব্যৱস্থাত মধ্যস্বত্ব ভোগী (জমিদাৰ, জায়গীৰদাৰ আদি বিভিন্নভাৱে জনাজাত)ৰ প্ৰাদুৰ্ভাৱ আছিল। এওঁলোকে কৃষি পামসমূহৰ উন্নতিত কোনো অৰিহণা যোগোৱা নাছিল; কেৱল মাত্ৰ প্ৰকৃত কৃষকসকলৰ পৰা খাজনা আদায় কৰিছিল। কৃষিখণ্ডৰ নিম্ন উৎপাদনশীলতাই ভাৰতবৰ্ষক আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা খাদ্য সামগ্ৰী আমদানি কৰিবলৈ বাধ্য কৰাইছিল। কৃষিৰ সমতাৰ বাবে ভূমি সংস্কাৰৰ প্ৰয়োজন হৈছিল। ই মূলতঃ মাটিৰ মালিকীস্বত্বৰ পৰিৱৰ্তনক বুজায়। স্বাধীনতা লাভৰ মাত্ৰ এবছৰ

### কক্ষ 2.5 ঃ মালিকীস্বত্ব আৰু প্ৰোৎসাহন (Ownership and Incentives)

'কৃষকলৈ ভূমি' নীতিৰ ধাৰণাটোৰ ভিত্তি আছিল এয়ে যে কৃষকসকল অধিক আগ্ৰহান্বিত হ'ব— ভূমিৰ মালিক হ'ব পাৰিলে তেওঁলোকে অধিক প্ৰোৎসাহ পাব। কিয়নো ভূমিৰ মালিকীস্বত্বই কৃষকসকলক বৰ্ধিত উৎপাদনৰ যোগেদি লাভ অৰ্জন কৰিবলৈ সক্ষম কৰি তোলে। বৰ্ধিত উৎপাদনৰ পৰা ভূমিৰ মালিকসকলেহে অধিক লাভৱান হয় বাবে ৰায়তসকলে ভূমিৰ উন্নতি সাধিবলৈ কোনো প্ৰেৰণা নাপায়। আগৰ ছোভিয়েট ৰাছিয়াৰ কৃষকসকলে যিধৰণে নিৰুদ্বেগভাৱে ফলৰ পেকিং কৰিছিল তাৰ পৰাই প্ৰোৎসাহনৰ ক্ষেত্ৰত মালিকীস্বত্বৰ গুৰুত্বৰ উদাহৰণ পোৱা যায়। তেওঁলোকে একেটা বাকচতে গেলা আৰু ভাল ফল একেলগে পেক কৰাটো প্ৰায়ে দেখা গৈছিল। সম্প্ৰতি প্ৰতিজন কৃষকে জানে যে একেলগে পেক কৰিলে গেলা ফলসমূহে ভাল ফলসমূহকো নষ্ট কৰে। এইটোৱে কৃষকসকলৰ লোকচান সাধে; কিয়নো ফলসমূহ বিক্ৰী কৰিব নোৱাৰি। তেনেহ'লে ছোভিয়েট কৃষকসকলে নিজৰে লোকচান হোৱা কাম এটা কিয় কৰিছিল? কৃষকসকলৰ বাবে প্ৰোৎসাহনৰ অভাৱেই ইয়াৰ কাৰণ। আগৰ ছোভিয়েট ৰাছিয়াৰ কৃষকসকল ভূমিৰ গৰাকী নাছিল বাবে তেওঁলোকৰ বাবে কোনো লাভ বা লোকচানৰ কথাও নাছিল। মালিকী স্বত্ব নথকা হেতুকে দক্ষতা অৰ্জন কৰাৰ বাবেও কৃষকসকলৰ পক্ষে কোনো প্ৰোৎসাহন নাছিল। বৃহৎ পৰিমাণৰ অতি উৰ্বৰ কৃষিভূমি থকা সত্বেও ছোভিয়েট ৰাছিয়াত কৃষিখণ্ডৰ শোচনীয় প্ৰদৰ্শনৰ ব্যাখ্যাও ই দাঙি ধৰে।

**উৎস (Source) ঃ** *Thomas Sowell, Basic Economics : A citizen's Guide to the Economy, Newyork Basic Books, 2004, Second Edition.*

পিছতে মধ্যস্বত্বভোগীৰ বিলোপ ঘটাই প্ৰকৃত কৃষকসকলক ভূমিৰ মালিক কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছিল। ধাৰণা কৰা হৈছিল যে যদিহে কৃষকসকলে পৰ্যাপ্ত পৰিমাণৰ মূলধন পোৱাৰ সুবিধা থাকে, তেনেহ'লে মাটিৰ মালিকীস্বত্বই তেওঁলোকক উন্নতিৰ হকে বিনিয়োগ কৰিবলৈ উৎসাহিত কৰিব। (কক্ষ 2.5 দ্ৰষ্টব্য) কৃষিখণ্ডত সমতা বৃদ্ধিৰ বাবে এক নীতি আছিল ভূমিৰ উচ্চ সীমা নিৰ্ধাৰণ। এজন ব্যক্তিয়ে সৰ্বোচ্চ কিমান পৰিমাণৰ ভূমি নিজৰ অধীনত ৰাখিব পাৰিব ই তাকে বুজায়। এই ব্যৱস্থাৰ উদ্দেশ্য আছিল ভূমিৰ মালিকীস্বত্ব অলপ সংখ্যক ব্যক্তিৰ হাতত কেন্দ্ৰীভূত হৈ থকা ব্যৱস্থাৰ অৱসান ঘটোৱা।

মধ্যস্বত্বভোগীৰ অৱসান ঘটোৱাৰ ফলস্বৰূপে প্ৰায় 200 লাখ কৃষক চৰকাৰৰ প্ৰত্যক্ষ সংস্পৰ্শলৈ আহিল আৰু তেনেদৰে তেওঁলোক জমিদাৰৰ শোষণৰ পৰা মুক্ত হ'ল। ভূমিৰ মালিকীস্বত্বই কৃষকসকলক উৎপাদন বৃদ্ধিৰ বাবে উৎসাহিত কৰিলে আৰু ই কৃষি উৎপাদন বৃদ্ধিত অৰিহণা যোগাইছে। মধ্যস্বত্বভোগীৰ বিলোপে সম-বিতৰণৰ লক্ষ্যত সম্পূৰ্ণৰূপে উপনীত কৰিব নোৱাৰিলে। কিছুমান অঞ্চলত জমিদাৰসকলে আইনৰ সুৰুঙাৰে বৃহৎ পৰিমাণৰ মাটি অধিকাৰ কৰি আছে। এনে বহুতো ঘটনা আছে য'ত ৰায়তসকলক উচ্ছেদ কৰি ভূস্বামীসকলে নিজকে প্ৰকৃত কৃষক বুলি প্ৰতিপন্ন কৰি মাটিৰ মালিকীস্বত্ব দাবী কৰিছিল। কৃষি বনুৱাসকলৰ একেবাৰে দুখীয়া অংশটো (উদাহৰণস্বৰূপে আধিয়াৰ তথা ভূমিহীন শ্ৰমিকসকল) ভূমি সংস্কাৰ ব্যৱস্থাৰ দ্বাৰা লাভৱান হোৱা নাছিল।

চিলিং আইনো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। বৃহৎ ভূস্বামীসকলে আইনখনৰ বিৰুদ্ধে আদালতত প্ৰত্যাহ্বান জনোৱাৰ ফলত ইয়াৰ ৰূপায়ণ পলম হয়। তেওঁলোকে আইনৰ হাত সাৰিবলৈ, তেওঁলোকৰ ভূমি নিকটাত্মীয়ৰ নামত পঞ্জীয়ন কৰিবলৈ এনে বিলম্বৰ সৃষ্টি কৰালে। আইনখনৰ নিজৰো বহুত সুৰুঙা আছিল। বৃহৎ ভূস্বামীসকলে নিজৰ মাটিৰ অধিকাৰ ৰক্ষাৰ্থে ইয়াক ব্যৱহাৰ কৰিছিল। কৃষকৰ বাবে ভূমি নীতিৰ প্ৰতি দায়বদ্ধ চৰকাৰ থকা হেতুকে কেৰালা আৰু পশ্চিমবংগত ভূমি সংস্কাৰ ব্যৱস্থা ফলৱতী হৈছিল। দুৰ্ভাগ্যজনকভাৱে অইন ৰাজ্যত একে পৰ্যায়ৰ দায়বদ্ধতা নোহোৱা হেতুকে ভূমিৰ মালিকানাৰ ক্ষেত্ৰত আজিকোপতি বৃহৎ মাত্ৰাৰ অসমতা চলি আছে।

**সেউজ বিপ্লৱ (The Green Revolution)ঃ** স্বাধীনতাৰ সময়ত দেশখনৰ মুঠ জনসংখ্যাৰ প্ৰায় 75 শতাংশ লোকেই কৃষি নিৰ্ভৰশীল আছিল। দেশখনৰ এক বৃহৎ সংখ্যক কৃষকৰ ক্ষেত্ৰত প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ আৰু পুৰণি প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত কৃষিখণ্ডত উৎপাদনৰ পৰিমাণ বৰ নিম্ন আছিল। ভাৰতবৰ্ষৰ কৃষি মূলতঃ বৰষুণৰ ওপৰত নিৰ্ভৰশীল। বৰষুণৰ পৰিমাণ কম হ'লে জলসিঞ্চন ব্যৱস্থাৰ সুবিধা নথকা কৃষকসকলে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। আকৌ অতি নগণ্য সংখ্যক কৃষকৰ বাবেহে জলসিঞ্চনৰ সুবিধা আছে। সেউজ বিপ্লৱে ঔপনিৱেশিক শাসন কালৰ কৃষিৰ স্থবিৰতাৰ স্থায়ী অৱসান ঘটাইছিল। সেউজ বিপ্লৱে, বিশেষকৈ ধান আৰু ঘেহুঁৰ উচ্চ উৎপাদনক্ষম বীজ ব্যৱহাৰৰ ফলত কৃষি উৎপাদনৰ যথেষ্ট বৃদ্ধি ঘটোৱাক বুজায়। এনে বীজ ব্যৱহাৰৰ

বাবে সঠিক পৰিমাণৰ সাৰ আৰু কীটনাশক দ্ৰব্যৰ লগতে নিয়মিত পানী যোগানৰ প্ৰয়োজন। সঠিক অনুপাতত ইহঁতৰ ব্যৱহাৰ অতি আৱশ্যকীয়। যিসকল কৃষকে এই উচ্চ উৎপাদনক্ষম বীজ (HYV) লাভ কৰিব পাৰিছিল তেওঁলোকৰ বাবে নিৰ্ভৰযোগ্য জলসিঞ্চন ব্যৱস্থাৰ লগতে সাৰ, ঔষধ ক্ৰয়ৰ বাবে বিত্তীয় সমলৰ প্ৰয়োজন হৈছিল। ফলস্বৰূপে সেউজ বিপ্লৱৰ প্ৰথম পৰ্যায়ত (প্ৰায় 1960 দশকৰ মাজভাগৰ পৰা 1970 দশকৰ মাজভাগলৈ) অধিক চহকী ৰাজ্য— পঞ্জাৱ, অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডু আদিত এই উচ্চ উৎপাদনক্ষম বীজৰ প্ৰচলন সীমাবদ্ধ আছিল। উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰে মূলতঃ ঘেঁহু উৎপাদনকাৰী ৰাজ্যসমূহকহে লাভান্বিত কৰিছিল। সেউজ বিপ্লৱৰ দ্বিতীয় পৰ্যায়ত (1970 দশকৰ মাজভাগৰ পৰা 1980 দশকৰ মাজভাগলৈ) উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰ অধিক ৰাজ্যলৈ বিস্তাৰিত হৈছিল আৰু ই অধিক বিধৰ শস্য উৎপাদন লাভজনক কৰিছিল। সেউজ বিপ্লৱৰ প্ৰসাৰণে ভাৰতবৰ্ষক খাদ্য-শস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম কৰি তুলিছিল। আমি আমাৰ দেশখনৰ খাদ্যৰ প্ৰয়োজন পূৰণ কৰিবলৈ এতিয়া আৰু আমেৰিকা নাইবা অন্য ৰাষ্ট্ৰৰ দয়াৰ বশৱৰ্তী হ'ব নালাগে।

কৃষি উৎপাদন বৃদ্ধি এক গুৰুত্বপূৰ্ণ বিষয়; কিন্তু এইটোৱে যথেষ্ট নহয়। যদি এই উৎপাদনৰ এটা বৃহৎ অংশ কৃষকসকলে বজাৰত বিক্ৰী কৰাৰ পৰিৱৰ্তে নিজৰ ভোগ কাৰ্যত ব্যৱহাৰ কৰে, তেনেহ'লে উচ্চ উৎপাদনে সামগ্ৰিকভাৱে অৰ্থব্যৱস্থাৰ কোনো পৰিৱৰ্তন সাধন নকৰে। আনহাতে যদি অধিক পৰিমাণৰ কৃষিজাত সামগ্ৰী কৃষকসকলে বজাৰত বিক্ৰী কৰে, তেনেহ'লে অধিক উৎপাদনে অৰ্থনীতিলৈ পৰিৱৰ্তন আনিব পাৰে। কৃষি উৎপাদনৰ যিটো অংশ কৃষকসকলে বজাৰত বিক্ৰী কৰে সেই অংশটোক বজাৰ বিক্ৰীত উদ্বৃত্ত (Marketed Surplus) বুলি কোৱা হয়। প্ৰখ্যাত অৰ্থনীতিবিদ চি. এইচ হনুমন্ত ৰাওৱে দেখুৱাই দিয়াৰ দৰে সৌভাগ্যক্ৰমে সেউজ বিপ্লৱৰ সময়ত উৎপাদিত হোৱা ঘেঁহু আৰু ধানৰ এটা ডাঙৰ অংশ (বিক্ৰীত উদ্বৃত্ত হিচাপে ৰোৱা) কৃষকসকলে বজাৰত বিক্ৰী কৰিছিল। ফলস্বৰূপে, অন্যান্য ভোগ্য সামগ্ৰীৰ তুলনাত খাদ্য সামগ্ৰীৰ দাম হ্ৰাস পাইছিল। আয়ৰ অধিক অংশ খাদ্যত খৰচ কৰা নিম্ন আয়ৰ লোকসকলে এনে আপেক্ষিক দাম হ্ৰাসৰ ফলত লাভান্বিত হৈছিল। সেউজ বিপ্লৱে চৰকাৰক খাদ্য সামগ্ৰীৰ নাটনিৰ সময়ত ব্যৱহাৰ কৰিব পৰাকৈ যথেষ্ট পৰিমাণৰ খাদ্য-শস্য সংগ্ৰহ কৰি ইয়াক মজুত কৰি ৰখাৰ বাবে সমৰ্থ কৰিছিল।

যদিও দেশখন সেউজ বিপ্লৱৰ পৰা যথেষ্ট পৰিমাণে লাভান্বিত হৈছিল তথাপি ইয়াত ব্যৱহৃত প্ৰযুক্তিবিদ্যা বিপদমুক্ত নাছিল। আন এক বিপদ হ'ল ক্ষুদ্ৰ আৰু বৃহৎ কৃষকসকলৰ মাজত ব্যৱধানৰ সম্ভাৱনা। কিয়নো বৃহৎ কৃষকসকলৰহে প্ৰয়োজনীয় যন্ত্ৰপাতি ক্ৰয়ৰ বাবে সামৰ্থ্য আছিল। সেয়েহে সেউজ বিপ্লৱৰ অধিকাংশ লাভ তেওঁলোকে হস্তগত কৰিছিল। তদুপৰি উচ্চ উৎপাদনক্ষম বীজসমূহ কীট-পতংগৰ দ্বাৰা আক্ৰান্ত হোৱাৰ সম্ভাৱনা অধিক বাবে যিসকল ক্ষুদ্ৰ কৃষকে এই প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰিছিল তেওঁলোকে কীট-